M.N.C. BALIKA MAHAVIDYALAYA



**2023**

# ASSAMESE

Paper : ASM–HC–2016

**( ভাষাবিজ্ঞান পৰিচয় )**

( Honours Core )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰশ্নৰ উত্তৰ দিয়া : ১×১০=১০

(ক) ভাষাৰ ন্যূনতম উপাদান কি?

(খ) ধ্বনিৰ নিজা অৰ্থ থাকেনে?

(গ) 'Philology' বুজাবলৈ অসমীয়া ভাষাত কি প্ৰতিশব্দ ব্যৱহাৰ কৰা হয়?

(ঘ) ভাষাবিজ্ঞানৰ কোনটো শাখাত বাক্যৰ বিষয়ে আলোচনা কৰা হয়?

(ঙ) ভাষাবিজ্ঞানৰ কোনটো ভাগে ভাষা-পৰিয়ালৰ ধাৰণাৰ আলমত পৃথিৱীৰ ভাষাসমূহৰ সম্পৰ্ক দেখুৱায়?

(চ) কওঁতাৰ বৃত্তি অনুসৰি একেটা ভাষাৰ বেলেগ ৰূপ হ'ব পাৰেনে?

(ছ) 'অসমীয়া ভাষাৰ মৌলিক বিচাৰ' নামৰ গ্ৰন্থৰ ৰচক কোন?

(জ) অসমীয়া ভাষাৰ অনুক্ৰম বৰ্ণৰ এটা উদাহৰণ দিয়া।

(ঝ) একেজন মানুহে একেটা ভাষাকে বেলেগ বেলেগ পৰিৱেশত ভিন্ন ধৰণে ব্যৱহাৰ কৰিব পাৰেনে?

(ঞ) 'শব্দানুশাসনম্' নামৰ গ্ৰন্থখন কি নামেৰে বিখ্যাত হৈ পৰে?

২। তলৰ প্ৰশ্নবোৰৰ চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) ফাৰ্ডিনাণ্ড দ ছ্যছুৰৰ ভাষাবিজ্ঞান-বিষয়ক বিখ্যাত গ্ৰন্থখনৰ নাম কি? এই গ্ৰন্থখন কেতিয়া প্ৰথম প্ৰকাশ হৈছিল?

(খ) গ্ৰীক ভাষাৰ প্ৰথম ব্যাকৰণখনৰ নাম কি? এই ব্যাকৰণখন কাৰ ৰচনা আছিল?

(গ) অসমীয়া ভাষাত প্ৰয়োগ থকা এবিধ উপাহিত বৰ্ণৰ নাম লিখা। লগতে এই বৰ্ণৰ ব্যৱহাৰ হোৱা এটা শব্দৰ উদাহৰণ দিয়া।

(ঘ) 'ৰগৰ' শব্দটোৰ বৰ্ণকেইটা ভাঙি দেখুওৱা।

(ঙ) ভাষা মানুহে জন্মগতভাৱে শিকি আহেনে? মানৱশিশুৰ ভাষা আহৰণৰ বিষয়ে কোনবিধ ভাষাবিজ্ঞানত আলোচনা কৰা হয়?

৩। যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ভাষাতত্ত্বৰ সংজ্ঞা, ইতিহাস, পৰিসৰ আদি সামৰি এটা টোকা লিখা।

(খ) বাগিন্দ্ৰিয় কাক বোলে? বাগিন্দ্ৰিয়বোৰৰ নাম লিখি এখন চিত্ৰৰ সহায়ত দেখুৱাই দিয়া।

(গ) ভেদাত্মক বা বিৰোধমূলক ভাষাবিজ্ঞানৰ পৰিচয় দাঙি ধৰা।

(ঘ) ব্যাকৰণ চৰ্চালৈ পাণিনিৰ অৱদান সম্পৰ্কে এটা টোকা লিখা।

(ঙ) বাক্যতত্ত্বৰ বিষয়ে চমুকৈ লিখা।

(চ) ভাষাবিজ্ঞান আৰু ব্যাকৰণৰ মাজৰ পাৰ্থক্যসমূহ দেখুওৱা।

৪। তলৰ প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) ভাষাবিজ্ঞানৰ সংজ্ঞা দি ইয়াক 'বিজ্ঞান' বুলি কোৱাৰ কাৰণসমূহ বিশ্লেষণ কৰা।

*নাইবা*

মানুহৰ ভাষাৰ বিশেষত্বসমূহ আলোচনা কৰা।

(খ) সমাজ ভাষাবিজ্ঞানৰ বিভিন্ন দিশ সামৰি এটা আলোচনা দাঙি ধৰা।

*নাইবা*

অঞ্চলভেদে কিদৰে ভাষাৰ ভিন্নতাৰ সৃষ্টি হয়? বৰ্তমানৰ অসমীয়া ভাষাৰ উদাহৰণ দি বুজাই লিখা।

(গ) ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু অৰ্থতত্ত্বৰ সংজ্ঞা দি প্ৰতিবিধে ভাষাৰ কোনবোৰ দিশ আলোচনা কৰে, লিখা।

*নাইবা*

অৰ্থতত্ত্বৰ ধাৰাকেইটা কি কি? ইয়াৰ যি কোনো এটা ধাৰাৰ বিষয়ে লিখা।

(ঘ) প্ৰাচীন ভাৰতত ব্যাকৰণ চৰ্চাৰ ইতিহাস দাঙি ধৰা।

*নাইবা*

ব্যাকৰণ চৰ্চাৰ ক্ষেত্ৰত প্ৰাচীন গ্ৰীকসকলৰ অৱদানৰ বিষয়ে লিখা।

★★★